**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-02-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

Shah /RNU (20-02-2026) Night

কাছাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীত অংশ লোৱাৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি কিছুসময় পূৰ্বে গুৱহাটীত উপস্থিত হৈছে। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত শ্ৰীশ্বাহক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনায়। নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত কাইলৈ গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত গৃহমন্ত্ৰীগৰাকীয়ে চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বাহিনীৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ইয়াৰ পূৰ্বে আজি শ্ৰীশ্বাহে কাছাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৮-২৯ বিত্তীয় বৰ্ষ পৰ্যন্ত ৰূপায়ণ হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে ছহেজাৰ ৮০০ কোটিৰো অধিক ধন ধাৰ্য কৰা হৈছে। এই কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। ইয়াৰ পাছতে শ্ৰীশ্বাহ ত্ৰিপুৰাৰ আগৰতলালৈ যায়।

০০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। কাছাৰ জিলাৰ ৩ হাজাৰ ৭০২গৰাকী, শ্ৰীভূমি জিলাৰ দুহেজাৰ ৩৯২গৰাকী আৰু হাইলাকান্দিৰ এহেজাৰ ১৭৯গৰাকী উদ্যমীয়ে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰিছে। এই অনুষ্ঠানতে আজি অমৃত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাছাৰ জিলাৰ পানীযোগান ব্যৱস্থাত নৱতম সংযোজন হিচাপে দুটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হয়। জিলাখনৰ লক্ষীপুৰ নগৰত ২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা পানীযোগান প্ৰকল্পটো আজি উদ্বোধন কৰা হয়। এই প্ৰকল্পৰ জৰিয়তে লক্ষীপুৰ নগৰৰ ১০ টা ৱাৰ্ডত মুঠ চাৰি হাজাৰ নলযোগে খোৱাপানী সংযোগ স্থাপনৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ ফলত প্ৰায় দুহেজাৰ ৫৫ টা পৰিয়াল উপকৃত হ'ব। তদুপৰি অম্ৰৃত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৩২ কোটি টকা ব্যয়সাপেক্ষে শিলচৰ পয়ঃপ্ৰণালী নিষ্কাশন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। কাৰ্যসূচী সামৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়।

বাইট মুখ্যমন্ত্ৰী

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি ডিব্ৰুগড় জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াৰ উপস্থিতিত আউনীআটি শাখা সত্ৰ প্ৰেক্ষাগৃহত নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। মূল প্ৰশিক্ষকসকলে মাণ্ডলিক বিষয়া আৰু খণ্ড পৰ্যায়ৰ বিষয়াসকলক প্ৰাথমিক প্ৰশিক্ষণ প্ৰদান কৰে। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

ইপিনে, পশ্চিম কাৰ্বি আংলং জিলা নিৰ্বাচনী বিষয়াই জিলাখনত ২২ আৰু ২৩ ফেব্ৰুৱাৰীত ই ভি এম আৰু ভি ভি পেটৰ প্ৰথম পৰ্যায়ৰ নিৰীক্ষণ হ'ব বুলি প্ৰকাশ কৰিছে। জিলাখনৰ দুটা বিধানসভা সমষ্টি ৰংখাং আৰু আম্ৰিৰ বাবে পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ এই নিৰীক্ষণ কৰা হ'ব।

০০০০০০

ৰাজ্যৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী জিলা আয়ুক্তৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ২৭ ফেব্ৰুৱাৰীত ধেমাজীৰ কাছাৰীময়দানত অংশ ল'বলগীয়া কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে সেইদিনা মিছন বসুন্ধৰা আঁচনিৰ অধীনত জিলাখনৰ ৩২ হাজাৰ খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰিব। আজিৰ অনুষ্ঠানত মন্ত্ৰী ডাঃ পেগুৰ লগতে জিলাখনৰ আয়ুক্ত ৰাহুল সুৰেশ জাবীৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক হীতেশ চন্দ্ৰ ৰয়ৰ উপৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ৰাজ্যিক ক্ৰীড়া বিশ্ববিদ্যালয় ডিব্ৰুগড়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰক ৰাজ্যৰ উচ্চ শিক্ষা তথা শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে আগবঢ়োৱা অৰিহণাৰ স্বীকৃতিস্বৰূপে *Emerging Leader in Higher Education* সন্মান আগবঢ়োৱা হৈছে। গুৱাহাটীত আয়োজিত **শিক্ষা খণ্ডৰ নেতৃত্ব সন্মিলনত** বৰঠাকুৰলৈ এই সন্মান আগবঢ়োৱা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ কাম-কাজৰ অগ্ৰগতি বিবেচনা কৰি বিভিন্ন অনুষ্ঠান, বিভাগ আৰু ব্যক্তি বিশেষক এই সন্মিলনত সন্মান আগবঢ়োৱা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়, অসম মহিলা বিশ্ববিদ্যালয়, নগাওঁ বিশ্ববিদ্যালয়, মণিপুৰ বিশ্ববিদ্যালয় আৰু চিকিম বিশ্ববিদ্যালয়ে এনেধৰণৰ সন্মান লাভ কৰিছে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সাহিত্য উৎসৱৰ আজি তৃতীয় দিনা বিশ্ববিদ্যালয়খনৰ গ্ৰন্থাগাৰ চৌহদত অনুষ্ঠিত অধিবেশনত সংগীত, সংস্কৃতি আৰু মানৱীয় অনুভূতিৰ আন্তঃ সম্পৰ্ক সন্দৰ্ভত অন্তৰংগ আলোচনা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত লেখক গৱেষক অজয় মাংকোটিয়া, লেখিকা অতিমা মাংকোটিয়া আৰু সাংস্কৃতিক বিশ্লেষক তাজদীক মহম্মদ গজনভীয়ে অংশ লয়। বক্তাসকলে নিজৰ স্মৃতি, সংগীত আৰু অভিজ্ঞতা সন্দৰ্ভত আলাপ কৰে। এই আলোচনাত ডিজিটেল পৃথিৱীত সংগীতৰ পৰিৱৰ্তনে বিশেষভাৱে বিস্তাৰ কৰা প্ৰভাৱৰ বিষয়ে স্থান লাভ কৰে।

০০০০০০

ঃঃ সমাপ্ত ঃঃ